# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 26-02-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

## HEADLINES

১। এডভাণ্টেজ আছামত দেশী-বিদেশী বহুকেইটা উদ্যোগ প্ৰতিষ্ঠানৰ সৈতে ৰাজ্য চৰকাৰৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

২। ভাৰত-ম্যানমাৰ-থাইলেণ্ড সংযোগী ঘাইপথে অসমৰ প্ৰগতিৰ ক্ষেত্ৰত নিৰ্ণায়ক পৰিৱৰ্তনৰ সূচনা কৰিব বুলি ড০ এছ্ জয়শংকৰৰ আশা প্ৰকাশ।

৩। অসমত ভুৱা এনকাউণ্টাৰৰ স্বতন্ত্ৰ তদন্ত সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত ৰায় সংৰক্ষিত।

৪। মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনা।

**আৰু**

৫। আই চি চি চেম্পিয়নছ্ ট্ৰফীত আজি গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ড আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

এডভাণ্টেজ আছামৰ কালি প্ৰথমদিনা দেশ-বিদেশৰ বহু কেইটা উদ্যোগ প্ৰতিষ্ঠান আৰু উদ্যোগীয়ে ৰাজ্য চৰকাৰৰ সৈতে বিনিয়োগৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। তদুপৰি, দক্ষতা বিকাশ, নিযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো বুজাবুজিৰ চুক্তিত সম্পাদন হয়। আদানী, ৰিলায়েন্স, বেদান্তা আৰু টাটা গ্ৰুপে কালি সন্মিলনৰ আৰম্ভণিতে ১ লাখ ৮০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ঘোষণা কৰে। বিনিয়োগকাৰীসকলে অসমত মূলতঃ নবীকৰণযোগ্য শক্তি, স্বাস্থ্য সেৱা, গেছ বিতৰণ আৰু উৎপাদন, সেউজ গেছ, পৰ্যটন আৰু শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। এই বিনিয়োগৰ জৰিয়তে ৰাজ্যখনৰ ঔদ্যোগিক ক্ষমতা বৃদ্ধি পোৱাৰ লগতে নিয়োগৰ সুযোগ আৰু বহনক্ষম উন্নয়নৰ পথ মুকলি হ'ব বুলি আশা কৰা হৈছে। বেদান্তা গ্ৰুপে অসমত তেল আৰু গেছ্ খণ্ডৰ উপৰি নিয়োগ সৃষ্টি, সামাজিক অৰ্থনৈতিক পৰিবৰ্তন আৰু জৈৱ বৈচিত্ৰৰ সংৰক্ষণৰ বাবে ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ কথা ঘোষণা কৰে। এছাৰ গ্ৰুপে বহনক্ষম উন্নয়নক আগুৱাই নিয়াৰ লক্ষ্যৰে নবীকৰণযোগ্য শক্তি প্ৰকল্প স্থাপনৰ বাবে ২১ হাজাৰ কোটি টকাৰ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। একেদৰে, ৰিলায়েন্স গোটে মেগা ফুড পাৰ্ক, সপ্ত তাৰকাযুক্ত হোটেল, জৈৱ ইন্ধনৰকে ধৰি ৫ টা গুৰুত্বপূৰ্ণ ক্ষেত্ৰত অহা ৫ বছৰৰ বাবে ৫০ হাজাৰ কোটিৰো অধিক ধন বিনিয়োগৰ কথা ঘোষণা কৰে। আদানী গোটে এৰ'চিটি, চিমেণ্টকে ধৰি বিভিন্ন ক্ষেত্ৰত ৫০হাজাৰ কোটি টকা বিনিয়োগ কৰিব।

০০০০০০০

অসমে সম্প্ৰতি অত্যাধুনিক প্ৰযুক্তিৰ ভেটি নিৰ্মাণ কৰিছে আৰু ই ঔদ্যোগিক খণ্ডৰ বিকাশ সাধনৰ লগতে ৰাজ্যখনক বিশ্বৰ ছেমিকণ্ডাক্টৰ মানচিত্ৰত স্থান দিব। দ্বিতীয় এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত কালি **বিকশিত ভাৰতবৰ্ষৰ লক্ষ্যপ্ৰাপ্তিৰ বাবে অসমত ছেমিকণ্ডাক্টৰ খণ্ডক আগুৱাই নিয়া** শীৰ্ষক বিষয় ভিত্তিক সত্ৰত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। জাগীৰোডত নিৰ্মিয়মান ছেমিকণ্ডাক্টৰ প্ৰকল্পত চলিত বৰ্ষৰ পৰা উৎপাদন আৰম্ভ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই প্ৰকল্পত থলুৱা প্ৰযুক্তি ব্যৱহাৰেৰে দৈনিক ৪৮ মিলিয়ন চিপচ উৎপাদন কৰিব আৰু জৰিয়তে ৰাজ্যখনৰ ঔদ্যোগিক দিশৰ দ্ৰুত পৰিবৰ্তন সম্ভৱ হৈ উঠিব। এই প্ৰকল্পৰ জৰিয়তে ২৭ হাজাৰ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সৃষ্টি হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। ড০ শৰ্মাই ছেমিকণ্ডাক্টৰ উদ্যোগসমূহক অসমত সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়। অনুষ্ঠানত অংশগ্ৰহণ কৰি বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ছেমিকণ্ডাক্টৰ গৱেষণাৰ বিকাশ বিনিয়োগ আৰু প্ৰযুক্তিগত উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিৰ সন্দৰ্ভত আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ আন্তঃগাঁথনি আৰু অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। শ্ৰীবৈষ্ণৱে দুখন নতুন অমৃত ভাৰত ৰে'লৰ প্ৰৱৰ্তন, ৰাজ্যৰ ৬০ টাৰো অধিক ৰে'লৰে ষ্টেচনত অমৃত ষ্টেচনলৈ উন্নীতকৰণ, গুৱাহাটী ৰে'লৰে ষ্টেচনক অত্যাধুনিক প্ৰযুক্তি কেন্দ্ৰলৈ ৰূপান্তৰকৰণ, বড়োলেণ্ডত নতুন ৰে'লৰে দবা নিৰ্মাণ আৰু মেৰামতি কেন্দ্ৰ স্থাপন, লামডিঙত নতুন ৰে'লৰে লোকোমটিভ ইঞ্জিন কাৰখানা স্থাপন, সীমান্ত সংযোগ বৃদ্ধিৰ বাবে কোকৰাঝাৰ গেলেফু সংযোগী ৰে'ল লাইনকে ধৰি চাৰিটা নতুন ৰে'লৰে ট্ৰেক নিৰ্মাণৰ কথা ঘোষণা কৰে।

০০০০০০০

ভাৰত-ম্যানমাৰ-থাইলেণ্ড সংযোগী ত্ৰিদেশী ঘাইপথে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰগতিৰ ক্ষেত্ৰত নিৰ্ণায়ক পৰিৱৰ্তনৰ সূচনা কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে। এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ কালি প্ৰথম দিনা এক্ট ইষ্ট, এক্ট ফাষ্ট এণ্ড এক্ট ফাৰ্ষ্ট শীৰ্ষক আলোচনা সত্ৰত অংশ লৈ মন্ত্ৰীগৰাকীয়ে কয়, যে বিভিন্ন কাৰণত এই ত্ৰিদেশীয় ঘাইপথ নিৰ্মাণ স্থবিৰ হৈ আছে যদিও বাস্তৱসন্মত সমাধান উলিয়াই এই প্ৰকল্পটো আগুৱাই লৈ যাব লাগিব। একেদৰে ভূটানৰ গেলেফুত মাইণ্ডফুলনেচ চিটী নিৰ্মাণ হৈ উঠিলে অসমৰ বাবে সুযোগ আৰু সম্ভাৱনাৰ পথ প্ৰশস্ত হ'ব বুলি তেওঁ উল্লেখ কৰে। আছিয়ান ৰাষ্ট্ৰসমূহৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ বৃহৎ কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে অসমে আত্মনিৰ্ভৰশীল হোৱাৰ লক্ষ্যৰে অগ্ৰসৰ হৈছে আৰু এডভাণ্টেজ আছাম সন্মিলনে ৰাজ্যখনৰ এই দৃঢ়তাকে প্ৰতিপন্ন কৰিছে।

এই বিনিয়োগ সন্মিলনত বিভিন্ন দেশৰ সৈতে হোৱা আলোচনাসমূহ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ জয়শংকৰৰ পৰামৰ্শমৰ্মে আগবঢ়াই নিয়া হ'ব বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে। তেওঁ বিদেশী ৰাষ্ট্ৰৰ বৃহৎ প্ৰতিনিধি দলটো অসমলৈ নেতৃত্ব দি লৈ অনাৰ বাবে মন্ত্ৰীগৰাকীক কৃতজ্ঞতা জ্ঞাপন কৰে।

**ৰাইট (চি এম)**

এই আলোচনা সত্ৰত ছিংগাপুৰৰ ৰাষ্ট্ৰদূত ছাইমন ৱং, ভূটানৰ ৰাষ্ট্ৰদূত মেজৰ জেনেৰেল ভেটশ্ব'প নামগ্যাল, জাপানৰ ৰাষ্ট্ৰদূত কেইছ' অন'ৱে আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ দ্বাৰা আঞ্চলিক অংশীদাৰিত্ব গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০

ডিজিটেল আন্তঃগাঁথনি সৰলীকৰণেৰে এখন নতুন অসম গঢ়িবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় যোগাযোগ তথা উত্তৰ পূৰ্বাঞ্চল উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উপস্থিতিত কালি গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় এডভাণ্টেজ আচামৰ অংশ হিচাপে **আই ৱেৰ জৰিয়তে বিকশিত অসম শীৰ্ষ**ক বিষয় ভিত্তিক সত্ৰত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ডিজিটেল বিপ্লৱৰ অংশীদাৰ হ'বলৈ অসম সম্পূৰ্ণৰূপে সাজু। ডঃ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক ব্ৰহ্মপুত্ৰৰ জৰিয়তে বংগোপসাগৰৰ পৰা অপটিকেল ফাইবাৰ অনাৰ সম্ভাৱনাৰ অধ্যয়ন কৰিবলৈ অনুৰোধ জনায়। এনে হ'লে ৰাজ্যত দ্ৰুত আৰু নিৰ্ভৰযোগ্য তথ্য লাভৰ ক্ষেত্ৰত মাইলৰ খুটি হিচাপে প্ৰমাণিত হ'ব বুলি তেওঁ উল্লেখ কৰে। ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে ২৫ হাজাৰ ২৫০ খন গাঁৱক অপটিকেল ফাইবাৰেৰে সামৰি লোৱা অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ কৃষক আৰু গ্ৰাম্য উদ্যোগীসকলৰ সুবিধাৰ্থে এই প্ৰকল্পৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সহায় আগবঢ়াবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৪ হাজাৰ খন বনগাঁৱক দূৰসংযোগ ব্যৱস্থাৰে সামৰি লোৱাৰ বাবেও অনুৰোধ জনায়। অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰে'ল যোগাযোগ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ৰাষ্ট্ৰৰ বিকাশত অসমে নেতৃত্ব লোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। তেওঁ কয়, যে ভৌগলিক অৱস্থানগত সুবিধাৰ উপৰি অপাৰ সম্ভাৱনাৰ কথা বিবেচনা কৰিলে অসম কেৱল আছিয়ান দেশসমূহৰ বাবেই নহয়, ই সমগ্ৰ গ্লোৱেল চাউথৰ বাবে নিৰ্মাণ তথা পৰিবহন, সামগ্ৰী যোগানৰ কেন্দ্ৰৰূপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে অসমত ভুৱা এনকাউণ্টাৰৰ স্বতন্ত্ৰ তদন্ত বিচাৰি ন্যায়ালয়ত দাখিল হোৱা আবেদনৰ ৰায় কালি সংৰক্ষিত ৰাখে। অসম চৰকাৰে এনকাউণ্টাৰসমূহৰ তদন্তৰ বাবে ২০১৪ চনৰ নীতি-নিৰ্দেশনাসমূহ মানি আহিছে আৰু এইক্ষেত্ৰত নিৰাপত্তা বাহিনীক অনাহকত লক্ষ্য কৰি লোৱাটো দুৰ্ভাগ্যজনক বুলি কালি সৰ্বোচ্চ ন্যায়ালয়ত প্ৰকাশ কৰাৰ পাছত ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত ৰায় সংৰক্ষিত ৰাখিছে। ৰাজ্যখনৰ ২০২১ চনৰ মে'ৰ পৰা ২০২২ চনৰ আগষ্টলৈ কমেও ১৭১টা ভুৱা এনকাউণ্টাৰ হোৱা বুলি উঠা অভিযোগৰ স্বতন্ত্ৰ তদন্ত বিচাৰি আবেদনকাৰীয়ে ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। অসম চৰকাৰৰ হৈ আদালতত চ'লিছিটৰ জেনেৰেল তুষাৰ মেহতাই কয়, যে এইক্ষেত্ৰত সকলো প্ৰয়োজনীয় নিৰ্দেশনা মানি চলা হৈছে। এই ঘটনাত নিৰাপত্তাৰক্ষীসকল দোষী সাব্যস্ত হ'লে তেওঁলোকে শাস্তি লাভ কৰা উচিত যদিও নিৰ্দোষী প্ৰমাণ হ'লে তেওঁলোকক ৰাষ্ট্ৰই সুৰক্ষা দিব লাগিব বুলি শ্ৰীমেহতাই যুক্তি দাঙি ধৰে। কালি চৰকাৰী পক্ষৰ বক্তব্যৰ পাছত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ সূৰ্যকান্ত আৰু এন কোটিশ্বৰ সিঙৰ বিচাৰপীঠে ৰায় সংৰক্ষিত ৰাখে।

০০০০০০০

অসমত চিনাক্ত হোৱা অবৈধ বিদেশী প্ৰত্যাপৰ্ণৰ বিষয়টো সৰ্বোচ্চ পৰ্যায়ত বিবেচনাধীন হৈ আছে বুলি কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ক কালি অৱগত কৰে। ন্যায়াধীশ অভয় এছ্ ওকা আৰু উজ্বল ভূএগ্ৰাৰ বিচাৰপীঠক কালি চ'লিছিটৰ জেনেৰেল তুষাৰ মেহতাই এই বিষয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে চিনাক্ত হোৱা বিদেশীৰ প্ৰত্যাপৰ্ণ সন্দৰ্ভত ২১ মাৰ্চৰ ভিতৰত সিদ্ধান্ত গ্ৰহণৰ সম্ভাৱনা আছে। শ্ৰীমেহতাই বিষয়টো সন্দৰ্ভত আদালতৰ পৰা সময় বিচাৰে আৰু আদালতে তেওঁৰ অনুৰোধ মঞ্জুৰ কৰি ২১ মাৰ্চলৈ শুনানি স্থগিত ৰাখে। উল্লেখযোগ্য যে যোৱা ৪ ফেব্ৰুৱাৰীত এই বিষয়ত হোৱা শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ে অসমত চিনাক্ত হোৱা বিদেশীক অনিৰ্দিষ্ট কাললৈ ডিটেনশ্বন শিবিৰত ৰখা বুলি ৰাজ্য চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰি কেতিয়া প্ৰত্যাপৰ্ণ কৰা হ'ব বুলি প্ৰশ্ন উত্থাপন কৰিছিল।

0000000

মহা শিৱৰাত্ৰি উপলক্ষে আজি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল, তেজপুৰৰ মহাভৈৰৱ, গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰ, পামহিৰ ভীমাশংকৰ মন্দিৰ, সোমনাথ মন্দিৰ, নগাঁৱৰ মৃত্যুঞ্জয় মন্দিৰ, নেঘেৰীটিঙকে ধৰি বিভিন্ন স্থানত আশুতোষৰ আৰাধনাৰ বাবে ভক্তসকলে ব্যাপক প্ৰস্তুতি চলাইছে। ৰাজ্যৰ অন্যান্য প্ৰান্তত শিৱমন্দিৰসমূহ পূজাৰ বাবে সজাই পৰাই তোলা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱদৌল প্ৰাংগণত মহা শিৱৰাত্ৰি পূজা আৰু মেলা কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে এই পূজা আৰু মেলা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। অগণন লোকৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি অঞ্চলটোত শিৱৰাত্ৰি উদযাপন সমিতিয়ে চি চি টিভি কেমেৰা সংস্থাপন কৰিছে। কালি দিনৰ ভাগত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়। শিৱসাগৰত শিৱৰাত্ৰি পালন সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা মুজাহিদ আলী

**ভইচ (মুজাহিদ আলী)**

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত শিৱপূজাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। জিলাখনৰ ঐতিহাসিক পাগলাৰটেক শিৱ মন্দিৰত কালিৰে পৰা চাৰিদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হৈছে। কালি অধিবাসৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰবাদ অনুসৰি চান্দ সদাগৰৰ দিনৰ পৰা এই মন্দিৰত শিৱপূজা চলি আহিছে।

বৰপেটা জিলাৰ বিভিন্ন শিৱমন্দিৰত ধৰ্মীয় পৰম্পৰাৰে আজি শিৱৰাত্ৰি পালন কৰা হৈছে। হাউলী সাৰ্বজনীন শিৱ মন্দিৰত আজিৰে পৰা তিনিদিনীয়াকৈ মহা শিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে। সৰভোগৰ কামাৰগাঁও শিৱ মন্দিৰতো তিনিদিনীয়াকৈ পূজাৰ আয়োজন কৰা হৈছে। একেদৰে ঐতিহাসিক শিঙৰীৰ গুপ্তেশ্বৰ দেৱালয়, দক্ষিণ বজালীৰ জালিখাটাৰ কলিবাৰী শ্ৰীশ্ৰী শিৱ থান, হাজোৰ শ্ৰীশ্ৰী হৰগৌৰী মন্দিৰকে ধৰি বিভিন্ন স্থানত শিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে।

0000000

অসমত কালি আৰম্ভ হোৱা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ, এডভাণ্টেজ আছামত অসমৰ সৈতে বহুজাতিক কোম্পানীয়ে কোটি টকা বিনিয়োগৰ চুক্তি স্বাক্ষৰ, অসমলৈ অহা ৰাষ্ট্ৰদূত, ঔদ্যোগপতিৰ,

শুৱালকুছি-কামাখ্যা মন্দিৰ দৰ্শন আদি বহু কেইটা বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকত কেইখনে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতখনে এডভান্টেজ আছামৰ প্ৰথমদিনাই ডেৰ লাখ কোটিৰো অধিক টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱা বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এডভান্টেজ আছাম উদ্বোধন কৰি ২০৩০ ৰ ভিতৰত অসমৰ অৰ্থনীতি ১৫০ বিলিয়ন ডলাৰ হ'ব বুলি আশা প্ৰকাশ কৰা বুলিও বাতৰিটোত উল্লেখ আছে।

এডভান্টেজ আছাম অনুষ্ঠানত উপস্থিত থকা মুকেশ আম্বানি আৰু গৌতম আদানীয়ে ৰিলায়েন্স আৰু আদানী গোষ্ঠীৰ জৰিয়তে অসমত ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগ কৰিব বুলি এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে **৫ বছৰত ৫০ হাজাৰ কোটিকৈ বিনিয়োগৰ আশ্বাস আদানী-আম্বানিৰ** শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এডভান্টেজ আছামত অংশ ল'বলৈ অসমলৈ অহা বিভিন্ন দেশৰ ৰাষ্ট্ৰদূতৰ লগতে ঔদ্যোগপতি মুকেশ আম্বানিয়ে কামাখ্যা মন্দিৰ দৰ্শন কৰা বাতৰিটো **আমাৰ অসম** কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। মন্দিৰত পূজা অৰ্চনা কৰাৰ লগতে আম্বানিয়ে ছাগলী আৰু পাৰ এৰি দিয়া বুলিও বাতৰিটোত উল্লেখ আছে।

১৯খন দেশৰ ৰাষ্ট্ৰদূতে শুৱালকুছিৰ পাট-মূগাৰ বস্ত্ৰ শিল্প চাই অভিভূত হৈ পৰা বুলি এটা বাতৰি **নিয়মীয়া বাৰ্তা** কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

উচ্চতম ন্যায়ালয়ে অসম আৰক্ষীৰ ভুৱা এনকাউণ্টাৰ সম্পৰ্কীয় গোচৰৰ ৰায় সংৰক্ষিত ৰখাৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি গোচৰ সমূহৰ তদন্ত প্ৰক্ৰিয়া ২০১৪ চনৰ নীতি নিৰ্দেশনা মানি চলা হৈছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতখনে SC RESERVES VERDICT ON ASSAM FAKE ENCOUNTER শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতখনে অসম আৰু ভূটানৰ মাজত ৰে'ল চলাচল আৰম্ভ হ'ব বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি পাকিস্তানৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ বিৰ এখন খেলত ইংলেণ্ডে আফগানিস্তানৰ বিৰুদ্ধে খেলিব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। খেলখনত পৰাজিত হোৱা দলটো এই প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব। দুয়োটা দলে ইতিমধ্যে নিজৰ প্ৰথমখন খেলত পৰাজিত হৈ এটাও পইণ্ট নোহোৱাকৈ গ্ৰুপ বিৰ অন্তিম স্থানত আছে।

কালি নিশা ৰাৱালপিণ্ডিত হ'বলগীয়া অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। দুয়োটা দলকে ১ পইণ্টকৈ ভগাই দিয়া হয়।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

তদুপৰি অহা ২৪ ঘণ্টাত অসম, মেঘালয় আৰু নাগালেণ্ডত পাতলীয়া বৰষুণ হোৱাৰ উপৰি অৰুণাচল প্ৰদেশৰ কোনো কোনো অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে। মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ শুকান হৈ থাকিব বুলি প্ৰকাশ কৰা হৈছে।

0000000

সমাপ্ত